বাছি ল'লোঁ। যিটোৰ বাবে আজি মোৰ এই যাত্ৰা হয়। নিজক প্ৰমাণ কৰি দিয়াৰ সেই মুহূৰ্তটো আছিল নিশ্চিতভাৱে এতিয়ালৈকে সৰ্বোৎকৃষ্ট মুহূৰ্ত। মোৰ জীৱনৰ বাবে।

হয়তো ঘৰখনৰ বাবেও। পিছে সেই মুহূৰ্ত উদযাপন কৰিবৰ বাবে ঘৰখন 'ঘৰ' হৈ থকা নাছিল। তথাপি দেউতাৰ সন্মুখত কথাষাৰ উলিয়ালোঁ। গৌৰৱেৰে অথচ দুখেৰে আৰু সবিনয়েৰে।

দেউতাই তেওঁৰ বুকুৰ মাজত বহু সময় ধৰি মোৰ মূৰটো সাবটি লৈ থাকিল। বুজিলোঁ দেউতাই উচুপিছে। ইয়াকো বুজিলোঁ যে তেওঁ অতি আনন্দ পাইছে। যি আনন্দ হয়তো মৰ্মান্তিক পৰ্যায়লৈ গুচি যাব পাৰে।

ফ্ৰেমত বন্দী মাৰ সন্মুখতো খবৰটো উলিয়ালোঁ। মাই কান্দিব নোৱাৰিলে। মই পাৰিলোঁ। পাৰিলে দেউতায়ো। পাৰ্থক্য থাকিল এটাই। মোৰ চকুলৈ বাৰিষা আহিল সশব্দে। দেউতাৰ চকুলৈ নিৰৱে।

শেষত তেওঁ অতি কষ্টেৰে ক'লে—"এই ক্ষণটোৰ বাবেই অত দিন প্ৰাৰ্থনা কৰিলোঁ আকাশক—"

আকাশক? প্ৰাৰ্থনা? অৰ্থাৎ যি বুজিলোঁ আকাশ কেৱল মোৰ সত্তাতে ওলমি থকা নাই। আছে দেউতাৰ সত্তাতো।

দেউতাৰ সত্তাতো আকাশ। মোৰ সেই আকাশ।

এতিয়া বাকী থাকিল কেৱল কল্পনা। কল্পনাৰ সত্তাত কি আছে বাৰু? কল্পনাৰ সত্তাত?

একমাত্ৰ তাইৰ লগতহে মোৰ সাফল্যৰ খবৰ সামান্য উদযাপন কৰিব পৰা গ'ল। তাকো ম'বাইল ফোনৰ যোগেদিহে। তাই লগৰ কাৰোবাক চিঞৰি চিঞৰি মোৰ চাকৰি-প্ৰাপ্তিৰ খবৰটো জনালে। বায়ৱীয় তৰংগৰ ইটো পাৰে বৈ মই ঈষৎ হাঁহিব পাৰিলোঁ।

হাঁহিব পাৰিলোঁ, কিয়নো মই মনে বিচৰা ভাল সংস্থাপন এটা পাই গ'লোঁ। আৰু পালোঁ কল্পনাৰ অপৰিসীম সঁহাৰি।

শেষত আজি এয়া দেউতাক মাহীৰ সান্নিধ্যত (অথবা আবিয়ৈ মাহীক দেউতাৰ সান্নিধ্যত) এৰি ওলাই আহিলোঁ চাকৰিত জইন কৰিবলৈ। প্ৰায় দুহেজাৰ কিল'মিটাৰ আঁতৰৰ অচিনাকি ঠাইখন মোৰ স্থায়ী ঠিকনা কৰিবলৈ। আকাশ হ'ব বাটৰ সংগী। যি আকাশ আজীৱন মোৰ—

"ফ্লায়াৰ্ছ অব ফ্লাইট নাম্বাৰ এ-নাইনটি ফ'ৰ আৰ ৰিকুৱেষ্টেত টু গ' থ্ৰু গেট নাম্বাৰ এইট—"

ঘোষণাটি বজাৰ লগে লগে ভালেমান যাত্ৰী উঠি শাৰী এটাত থিয় হ'লগৈ।

হিম শীতল হৈ পৰা কফিখিনি ডিঙিত ঢালি দি, কাগজৰ কাপটো ডাষ্টবিনলৈ দলিয়াই ময়ো আহি শাৰীত থিয় হ'লোঁ।

আৰু এটা সময়ত বিমানখনৰ ভিতৰত সোমাই পৰিলোঁ।

আৰু এটা মৃদু উত্তেজনাৰ পূৰ্বৰাগ আৰম্ভ হৈ গ'ল বুলি অনুমান কৰিলোঁ। প্ৰৱেশ দ্বাৰতে দুগৰাকী এয়াৰ হোষ্টেজে সম্ভাষণ জনালে। ধন্যবাদ জাতীয় কিবা এষাৰ যে ক'ব লাগে মনলৈ নাহিলেই।

এগৰাকীয়ে ব'ৰ্ডিং পাছখন চাই মোৰ ছিটটো দেখুৱাই দিলে। অৱলীলাক্ৰমে বহি পৰিলোঁ। মোৰ আসন খিৰিকীৰ কাষত হোৱা বাবে ভাল লাগিল। অনলাইনযোগে ভাল টিকেট এটা কাটি দিয়া বাবে মনতে কল্পনাক ধন্যবাদ জনালোঁ।

কম সময়ৰ ভিতৰতে বিমানখন যাত্ৰীৰে ভৰি পৰিল। প্ৰৱেশ দ্বাৰ বন্ধ হৈ গ'ল। সতৰ্কতামূলক ব্যৱস্থা সম্পৰ্কীয় ঘোষণা এটা ভিতৰত বিয়পি গ'ল। আৰু দেখা গ'ল এগৰাকী পৰিচাৰিকাই সোঁমাজত থিয় হৈ ঘোষণাৰ কথাখিনি মূক অভিনয়েৰে দেখুৱাই গ'ল।

দুয়োগৰাকী পৰিচাৰিকাই খুব দৌৰাদৌৰি কৰি যাত্ৰীসকলৰ সুবিধা-অসুবিধাৰ বুজ লৈ থাকিল। এগৰাকীকতো মোৰ কল্পনা যেনেই লাগিল। সেই একে নাক, একে চকু, গালৰ মাজত তিল। কিন্তু উগ্ৰ প্ৰসাধন, ডাঠ লিপষ্টিক, চুলিৰ বেলেগ ষ্টাইল, সুন্দৰ য়ুনিফৰ্ম—সুধিয়ে পেলোৱা যায় নেকি নামটো! (আৰু কল্পনা হোৱা হ'লে তাই মোক আগতেই জনালেহেঁতেন)।

না। এই প্ৰথম বিমানত উঠিছোঁ। ৰিজাৰ্ভড হৈ থকাই ভাল।

"নাও দা ফ্লাইট ইজ টেকিং অফ ..."

বৈ গ'ল পাইলটৰ গুৰু-গম্ভীৰ কণ্ঠ।

আৰু জখলাৰে উঠি গ'ল মোৰ উত্তেজনা।

বিমানখন লৰিল। প্ৰথমে খোজ কঢ়াত লাগিল। গতি ক্ৰমাৎ বাঢ়িল। বাঢ়িল, কমিল, আৰু বাঢ়িল।

ৰানৱেত দুপাকমান ঘূৰিল। ইঞ্জিনৰ শব্দ বাঢ়িল।

দৌৰিল। ক্ৰমে আৰু দৌৰিল। আৰু দৌৰিল, আৰু এয়া—আৰু এয়া উঠিল। উঠিল যি উঠিলেই।

আহ—কি এক অভিনৱ অভিজ্ঞতা। কি এক শিহৰণ। উত্তেজনাৰ চৰম বিন্দু। মই মাটিৰ ওপৰত। মই আকাশত। বায়ুত মই। চৰাই মই—

তলত অপসৃয়মান বিমান বন্দৰ, অ'ত-ত'ত সিঁচৰতি অট্টালিকাৰ কিয়দংশ, বিক্ষিপ্ত কিছুমান স্নেপশ্বট, পৰিপক্ক শিল্পীৰ হাতৰ ছবিৰ দৰে একোখন পথাৰ, কণ কণ জুপুৰি, শুকুলা চাদৰ যেন এখন নৈ, সেউজী পাহাৰৰ চূড়া—

ডাৱৰৰ মাজত মই। মোৰ চৌপাশে কপাহৰ জোলা যেন মেঘৰ টুকুৰা। যাৰ আলিংগনত ভাসমান মই।

আৰু মোৰ সত্তাত মহাকবি কালিদাসৰ বাৰ্তাকাব্য মেঘদূত। যেন ৰঙা কুবেৰৰ কোপত দেশান্তৰ হৈ থকা যক্ষই অলকাপুৰীত থকা নিজৰ প্ৰিয়তমালৈ মনৰ খবৰ পঠিয়াই দিয়া মেঘৰ টুকুৰা মই। যেন আকাশী পথেদি কঢ়িয়াই লৈ যাওঁ মাতৃৰ অদেখা অথচ পিতৃৰ চিৰলগৰী বেদনাৰ সুৰ এটা দূৰ দিগন্তলৈ। অথবা নিজৰে প্ৰাপ্তিৰ আকাংক্ষা এটা উৰুৱাই লৈ ফুৰোঁ মেঘৰ সৈতে। বা হয়তো মেঘৰ নাচোনত ভাহি ৰিণিকি ৰিণিকি শুনো মেঘদূতৰ আদৰ্শেৰে ৰচনা কৰা গুস্তাভ হলৰ (Gustav Holst : ১৮৭৪-১৯৩৪) 'দা ক্লাউড মেছেঞ্জাৰ'ৰ সেই অমৰ ছিম্ফনি অথবা দেখোঁ সাম্প্ৰতিক কালৰ ব্ৰিটিছ কবি ছিমন আৰ্মিটেজৰ কৰ'না কালৰ কবিতা 'লকডাউন'ত মেঘদূতৰ ছন্দ আৰু ছবি।

হৈ যাওঁ মই আকাশময়। মায়াময়।

আকাশ হৈ যায় ছায়াময়। হেৰাই যায় ৰহস্যৰ সাঁথৰ। যিহেতু মই আকাশতেই, আকাশৰ ৰহস্য আৰু কি।

"থাৰ্টি টু থাউজেণ্ড ফিট এবাভ ছি লেভেল"—সহযাত্ৰী এগৰাকীৰ প্ৰশ্নৰ উত্তৰত ক'লে হোষ্টেজ এগৰাকীয়ে। কল্পনা নহয়। ইগৰাকীয়ে। মই কল্পনাক বিচৰাৰ প্ৰয়াস কৰিলোঁ। তাই অন্য যাত্ৰীৰ আতিথ্যত ব্যস্ত। কাৰোবাক পানী যোগান। কাৰোবাৰ ছিট বেল্ট লগোৱা অথবা খোলাত সহায়।

"এণ্ড দা স্পিড?'

"নাইন হাণ্ড্ৰেড কিল'মিটাৰ পাৰ আৱাৰ।"

বাঃ। কি কাৰবাৰ। উত্তৰবোৰে যেন সহায় কৰিলে মোকহে। আগতে এনেবোৰ কথা জনাৰ মোৰ আগ্ৰহ আছিল। সৰুতে মূৰৰ ওপৰেদি আকাশী জাহাজ একোখন উৰি যোৱা দেখিলে মনলৈ প্ৰশ্নবোৰ আহিছিল।

সেই আকাশী জাহাজৰ যাত্ৰী এতিয়া মই নিজে। ঠিক এনেদৰে কিছুমান সাঁথৰ নিজে ভাঙি যায়। যেনেদৰে আকাশৰ ৰহস্যৰ সাঁথৰ ভাঙি গ'ল আজি।

আৰু এনেদৰে উৰি গ'ল প্ৰায় তিনিঘণ্টীয়া যাত্ৰাৰ প্ৰথম এঘণ্টা। উত্তেজনাৰ মাজেৰে। ক্ৰমে উত্তেজনা শাম কাটিল।

বাকী দুঘণ্টা প্ৰায় উত্তেজনাবিহীন। চকু মুদি দিলে উৰিছোঁ নে